# অসম আদিত্য

২৯ জেঠ, ১৯৪৭ শক | শুকুৰবাৰ, ১৩ জুন, ২০২৫ | Asom Aditya, Dibrugarh, Friday, June 13, 2025


## ৰাছিয়াত ৰূপৰ পদক বিজয়ী কাশ্যপী সোনোৱালক বিপুল আদৰণি

ষ্টাফ ৰিপৰ্টাৰ, ১২ জুন ঃ ৰাছিয়াত উশ্বু সমৰকলাত দেশৰ হৈ পাৰদৰ্শিতা প্ৰদৰ্শনেৰে সফলতা অৰ্জন কৰি গৃহ চহৰ ডিব্ৰুগড়ত উপস্থিত কাশ্যপী সোনোৱাল। ৰাছিয়াৰ মস্কোত অনুষ্ঠিত হোৱা 'Wushu Star International Championship 2025'ত দেশৰ হৈ প্ৰতিনিধিত্ব কৰি কাশ্যপী সোনোৱালে ৰূপৰ পদক লাভ কৰিবলৈ সক্ষম হয়। আজি ডিব্ৰুগড় মোহনবাৰী বিমানবন্দৰত উপস্থিত হোৱাৰ লগে লগে কাশ্যপী সোনোৱালক তেওঁ অধ্যয়ন কৰা ডিব্ৰুগড় সম্পূৰ্ণ কেন্দ্ৰীয় বিদ্যালয়ৰ লগতে আত্মীয় আৰু ক্ৰীড়া সংগঠনসমূহে বিপুল আদৰণি জনায়। ডি এইচ এছ কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ত খেলুৱৈগৰাকীক গামোচাৰে উষ্ম আদৰণি জনায় মহাবিদ্যালয়ৰ অধ্যক্ষ তথা ডিব্ৰুগড় জিলা উশ্বু সন্থাৰ সভাপতি ড০ শশীকান্ত শইকীয়া, ডিব্ৰুগড় জিলা উশ্বু সন্থাৰ উপ-সভাপতি তথা কানৈ মহাবিদ্যালয়ৰ অধ্যাপক ড০ জ্যোতি প্ৰসাদ ফুকন, ডিব্ৰুগড় জিলা উশ্বু সন্থাৰ সম্পাদক তথা প্ৰশিক্ষক মমী কছাৰী আৰু কানৈ মহাবিদ্যালয়ৰ এন চি চি গোটে। ডিব্ৰুগড় কদমণি ৰেৱা আগৰৱালা পথৰ নিৱাসী জয়ন্ত সোনোৱাল আৰু চিংকুমণি সোনোৱালৰ কন্যা তথা ডিব্ৰুগড় সম্পূৰ্ণ কেন্দ্ৰীয় বিদ্যালয়ৰ অষ্টম শ্ৰেণীত অধ্যয়নৰত কাশ্যপী সোনোৱাল ২ মে'ৰ পৰা ৬ মে'লৈ উত্তৰাখণ্ড ডেৰাডুনৰ ৰায়পুৰত অনুষ্ঠিত হোৱা বাছনি পৰীক্ষাত অংশগ্ৰহণ কৰি ৰাছিয়াৰ মস্কোত ১ জুনৰ পৰা ৭ জুনলৈ অনুষ্ঠিত হোৱা মস্কো উশ্বু ষ্টাৰ চেম্পিয়নশ্বীপৰ বাবে ভাৰতীয় দলটোলৈ নিৰ্বাচিত হৈছিল। উল্লেখ্য যে কাশ্যপী সোনোৱালে ইতিমধ্যে ডিব্ৰুগড় জিলাৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত আৰু পাঞ্জাব, কলিকতা, ঝাৰখণ্ড, হিমাচল প্ৰদেশ, ইম্ফল, মণিপুৰ, শ্বিলং, উত্তৰাখণ্ড আদিৰ উপৰিও চীন, ৰাছিয়া আদিত অংশগ্ৰহণ কৰি সোণ আৰু ৰূপৰ পদক অৰ্জন কৰি খ্যাতি লাভ কৰিবলৈ সক্ষম হৈছে। ইয়াৰ পূৰ্বে খেলুৱৈগৰাকীয়ে ২০২২ত ৰাছিয়াত অনুষ্ঠিত হোৱা আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাখনতো দেশৰ হৈ প্ৰতিনিধিত্ব কৰি চতুৰ্থ স্থান লাভ কৰি পদক লাভ কৰিছিল। চীনৰ এমিস্তানত ২০২৩ চনত অনুষ্ঠিত হোৱা ৱৰ্ল্ড চেম্পিয়নশ্বীপ উশ্বুত সোনোৱালে ৰূপৰ পদক লাভ কৰিবলৈ সক্ষম হৈছিল।




বিশেষ প্ৰতিনিধি, টেঙাখাত, ১২ জুন ঃ ডিব্ৰুগড় জিলাৰ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ শংকৰদেৱ প্ৰাথমিক শাখাই শ্ৰীশ্ৰী মাধৱদেৱৰ ৫৩৭ সংখ্যক আবিৰ্ভাৱ মহোৎসৱ দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত কৰে। কাৰ্যসূচীৰ লগত সংগতি ৰাখি পুৱা ৭.৩০ বজাত নামঘৰৰ চাৰিসীমা পৰিস্কাৰ কৰা হয় সেৱাবাহিনীৰ সহযোগত। ৮.৩০ বজাৰত পতাকা উত্তোলন কৰে সভাপতি ইন্দেশ্বৰ গগৈয়ে। কাৰ্যসূচীৰ লগত সংগতি ৰাখি শংকৰদেৱ প্ৰাথমিক শাখাই উচ্চ আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জ্ঞাপন কৰে। উচ্চতৰ মাধ্যমিকৰ দ্বীপশিখা গগৈ, পৰিস্মিতা গগৈ আৰু উচ্চ মাধ্যমিক চূড়ান্ত

## হেমপ্ৰভা গগৈ

বিশেষ প্ৰতিবেদক, টেঙাখাত, ১২ জুন ঃ টেঙাখাত চুঙি গাঁও নিৱাসী তথা টেঙাখাত বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী হেমপ্ৰভা গগৈ (৮৮) আজি পুৱা প্ৰায় ৭.৩০ বজাত ডিব্ৰুগড় এখন ব্যক্তিগত নাৰ্ছিং হোমত চিকিৎসাধীন হৈ থকা অৱস্থাত পৰলোকপ্ৰাপ্তি ঘটে। এগৰাকী অতি নিষ্ঠাৱান